# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-10-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*
::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় কেবিনেটে আজি অসমীয়া, মাৰাঠী, পালী, প্ৰাকৃত আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনাইছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টত কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক সমূহ অসমবাসীৰ হৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছে। তেওঁ কয় যে, প্ৰাচীন কামৰূপ তথা বৰ অসমৰ সভ্যতা সংস্কৃতিৰ এই শিপাডালে আমাক আজি পুনৰবাৰ সমৃদ্ধ কৰিলে। এই সিদ্ধান্তৰ দ্বাৰা অসমীয়া ভাষাটিক জগতসভালৈ লৈ যাবলৈ আমি সক্ষম হম বুলি তেওঁ সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

oooooooo

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে কাইলৈ আৰু পৰহিলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলা উদ্বোধন কৰা হ'ব। উল্লেখযোগ্য যে ধুবুৰী জিলাৰ বিলাসীপাৰা আৰু গোলকগঞ্জক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। বঙাইগাঁৱৰ অভয়াপুৰীক, কামৰূপ জিলাৰ ৰঙিয়াক, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে বিশ্বনাথৰ গহপুৰ আৰু বিহালীক, লখিমপুৰ জিলাৰ ঢকুৱাখানাক, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া সম-জিলা হ'ব। শিৱসাগৰৰ নাজিৰা আৰু ডিমৌক, যোৰহাটৰ তিতাবৰক সম-জিলাৰ মৰ্যাদা দিয়া হৈছে। গোলাঘাট জিলাৰ বোকাখাট, সৰুপথাৰ আৰু ডেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ, গোৱালপাৰা জিলাৰ পশ্চিম গোৱালপাৰা সম-জিলা হ'ব। কামৰূপ মেট্ৰ'ৰ দিছপুৰ, নিউ-গুৱাহাটী আৰু ডিমৰীয়াক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁৱক, মৰিগাঁও জিলাৰ জাগীৰোড আৰু লাহৰীঘাট আৰু হোজাই জিলাৰ লামডিঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত কাইলৈ সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংঘল উপস্থিত থাকিব। ঢেকীয়াজুলিৰ লগতে জিলাখনৰ নদুৱাৰকো সম-জিলাৰ আখ্যা দিয়া হ'ব। ডিব্ৰুগড় জিলাৰ খোৱাং, দুলিয়াজান আৰু টিংখঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে। চৰাইদেউ জিলাৰ মাহমৰা আৰু কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে।

oooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত অবৈধভাৱে চলি থকা লটাৰীক নিষিদ্ধ ঘোষণা কৰিছে। আজি ন্যায়ালয়ে নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰৰ শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে অফলাইন তথা অনলাইন কোনো মাধ্যমতে লটাৰী অনুষ্ঠিত কৰিবলৈ যাতে

অনুমতি নিদিয়ে তাৰ বাবে সকলো জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ প্ৰতি নিৰ্দেশনা জাৰি কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে। লগতে কোনো অবৈধ লটাৰী অনুষ্ঠিত কৰাৰ ঘটনা দৃষ্টিগোচৰ হ'লে লগে লগে আয়োজকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা ল'বলৈ আৰক্ষী অধীক্ষকক নিৰ্দেশ দিছে।

oooooooo

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাই কাইলৈ ছিডলী বিধানসভা সমষ্টিত এক যোগদানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত কেইবাটাও ৰাজনৈতিক দলৰ নেতা-কৰ্মীয়ে কংগ্ৰেছ দলটোত যোগদান কৰিব বুলি দলটোৰ ফালৰ পৰা জানিবলৈ দিছে।

oooooooo

সমাগত দুৰ্গা পূজাৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূজা সমিতিসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। পূজা সুকলমে অনুষ্ঠিত কৰাৰ সন্দৰ্ভত গুৱাহাটী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি আৰক্ষী প্ৰশাসনৰ সৈতে মহানগৰীৰ পূজা সমিতিসমূহৰ এখন বৈঠক অনুষ্ঠিত হয়। সমিতিসমূহলৈ দিয়া নিৰ্দেশনা অনুসৰি প্ৰতিখন পূজা মণ্ডপত সুৰক্ষাৰ সুব্যৱস্থা কৰাৰ লগতে প্ৰাথমিক চিকিৎসা ব্যৱস্থা উপলব্ধ কৰিবলৈ প্ৰশাসনে নিৰ্দেশ দিছে। মণ্ডপত চিচি টিভি কেমেৰাৰ সংস্থাপন, প্ৰবেশ আৰু প্ৰস্থানৰ বাবে পৃথক পথৰ ব্যৱস্থা কৰাৰ লগতে পৰিবেশ অনুকূল সামগ্ৰীৰে পূজা মণ্ডপ নিৰ্মাণ আদিৰ বিষয়ে উল্লেখ কৰা হৈছে। শব্দ প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি মণ্ডপসমূহত পুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈ ৫৫ ডেচিবেলতকৈ অধিক শক্তিশালী স্বৰত অনুভাষ যন্ত্ৰ বজোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাখনত প্ৰতিখন পূজা মণ্ডপত অগ্নিনিৰ্বাপন আৰু খোৱাপানীৰ উপযুক্ত ব্যৱস্থা কৰাৰ লগতে প্ৰশাসনৰ জৰুৰীকালীন ফোন নম্বৰসমূহ মণ্ডপত আঁৰি ৰাখিবলৈ নিৰ্দেশ দিছে।

ইপিনে, কোনো ৰাজহুৱা স্থানত মণ্ডপ নিৰ্মাণ নকৰিবলৈ আৰু মণ্ডপ নিৰ্মাণ কৰোতে প্ৰাকৃতিক সম্পদ তথা ৰাজহুৱা সম্পত্তি নষ্ট নকৰিবলৈ নিৰ্দেশনাত উল্লেখ আছে। লগতে পূজা মণ্ডপ আৰু কাষৰীয়া অঞ্চলসমূহৰ পৰা সুৰা তথা অন্যান্য মাদক দ্ৰব্য সম্পূৰ্ণ ৰূপে নিষিদ্ধ কৰিবলৈ প্ৰশাসনে নিৰ্দেশ দিছে। উল্লেখযোগ্য যে আজি অনুষ্ঠিত বৈঠকত মহানগৰীৰ তিনি শতাধিক পূজা সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। বৈঠকত জিলাৰ আয়ুক্ত, আৰক্ষী আয়ুক্তৰ লগতে গুৱাহাটী পৌৰ নিগম, স্বাস্থ্য বিভাগ, বিদ্যুৎ বিভাগ, অগ্নি নিৰ্বাপক বাহিনী, প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আদি বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

oooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৪-৫ দিনলৈ গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত ধাৰাষাৰ বৰষুণৰ আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা অনুসৰি নামনি অসমৰ কেইবাখনো জিলাৰ লগতে ডিব্ৰুগড়, তিনিচুকীয়া আৰু কাছাৰ জিলাত চলিত সপ্তাহটোত বিজুলী-ঢেৰেকনিৰে প্ৰবল বৰষুণৰ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ডিমা হাছাও আৰু পশ্চিম কাৰ্বি আংলং জিলাত ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে।

oooooooo

মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত কাইলৈ নিজৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন খেলত বাংলাদেশে স্কটলেণ্ডক ১৬ ৰানত পৰাস্ত কৰে।

আনহাতে, আজিৰ দ্বিতীয়খন খেলত পাকিস্তান-শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। বাতৰি লিখাৰ পৰলৈকে পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত  আঠাইকেইটা উইকেট হেৰুৱাই ১১৬ ৰান সংগ্ৰহ কৰিছে।

এইবাৰৰ প্ৰতিযোগিতাত মুঠ ১০ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা অহা ২০ অক্টোবৰলৈ চলিব। গ্ৰুপ-এত ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলণ্ড, পাকিস্তান, আৰু শ্ৰীলংকা অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গ্ৰুপ-বিত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ আছে। হৰমন প্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটোৱে এইবাৰ খিতাপ দখলৰ হকে তীব্ৰ প্ৰতিদ্বন্দিতা আগবঢ়োৱাৰ আশা প্ৰকাশ কৰা হৈছে।

০০০০০০০০

**সমাপ্ত**